**1 SEM TDC FACC (CBCS) DSC CC 102**

**2 0 2 1**

( March )

COMMERCE

( Discipline Specific Course )

Paper : CC–102

**( Financial Accounting )**

*Full Marks* : 80

*Pass Marks* : 32

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** *(a)* Answer in *one* sentence each : 1×4=4

প্ৰতিটো **এটা** বাক্যত উত্তৰ দিয়া :

*(i)* What is Financial Accounting Principle?

বিত্তীয় হিচাপৰ নীতি কি ?

*(ii)* What is meant by Errors of Commission?

কাৰিকৰী ভুল মানে কি ?

*(iii)* What is independent branch?

স্বতন্ত্ৰ শাখা কি ?

*(iv)* What do you mean by Realization Account?

আদায়কৰণ হিচাপ বুলিলে কি বুজা ?

(b) Select the correct alternative answer : 1×4=4

শুদ্ধ বিকল্প উত্তৰটো বাছি উলিওৱা :

(i) On which one of the following concepts is determination of expenses for an accounting period based?

তলৰ কোনটো ধাৰণাৰ ওপৰত কোনো এটা বছৰৰ ব্যয়ৰ ভিত্তি নিৰ্ধাৰিত হয় ?

(1) Accounting period concept

হিচাপৰ গণনাকালৰ ধাৰণা

(2) Matching concept

সমতুল্য ধাৰণা

(3) Cost concept

পৰিব্যয় ধাৰণা

(ii) _____ explains how revenue is to be determined in Profit & Loss Account of an enterprise.

_____ এটা প্ৰতিষ্ঠানৰ লাভ আৰু লোকচান হিচাপৰ ৰাজহৰ স্বীকৃতি প্ৰদানৰ ব্যাখ্যা কৰে।

(1) AS–6

(2) AS–19

(3) AS–9

(iii) Inventory should normally be valued

মজুত পণ্যৰ মূল্য নিৰূপণ কৰা হয়

(1) at historical cost or net realisable value whichever is lower

ঐতিহাসিক পৰিব্যয় বা প্ৰকৃত উদ্ধাৰণীয় মূল্যৰ যিটোৰে কম

(2) at net realisable value

প্ৰকৃত উদ্ধাৰণীয় মূল্য

(3) at historical cost or net realisable value whichever is higher

ঐতিহাসিক পৰিব্যয় বা প্ৰকৃত উদ্ধাৰণীয় মূল্যৰ যিটোৰে বেছি

(iv) On the date of agreement, hire purchaser pays an amount which is called

ভাড়া-ক্ৰয় পদ্ধতিত ক্ৰেতাই চুক্তিৰ দিনা পৰিশোধ কৰা ধনক _____ কোৱা হয়।

(1) hire-purchase price

ভাড়া-ক্ৰয় মূল্য

(2) down payment

তাৎক্ষণিক পৰিশোধিত মূল্য

(3) instalment

কিস্তি

**2.** Write short notes on (any *four*) : 4×4=16

চমু টোকা লিখা (যি কোনো **চাৰিটা**) :

*(a)* Bases of accounting

হিচাপৰক্ষণৰ ভিত্তি

*(b)* Causes of depreciation

অৱক্ষয়ৰ কাৰণসমূহ

*(c)* Applicability of IFRS in India

ভাৰতবৰ্ষত IFRS ৰ প্ৰয়োগ

*(d)* Matching concept

সমতুল্য ধাৰণা

*(e)* Characteristics of dependent branch

নিৰ্ভৰশীল শাখাৰ বৈশিষ্ট্যসমূহ

*(f)* Joint venture and consignment

যৌথ উদ্যোগ আৰু চালানী ব্যৱসায়

**3.** Romen and Prakash have in business together for last three years ending 31st December, 2019 at which date they agreed to dissolve. The capitals at the commencement of the business were ₹ 60,000 and ₹ 40,000. Profits and losses were shared in the ratio of 3 : 2. The results of three years before allowing 10% interest on capitals were as follows :

| | ₹ |
|---|---|
| 2017 (profit) | 60,000 |
| 2018 (profit) | 44,400 |
| 2019 (loss) | 10,760 |

Drawings of each partner were ₹ 8,000 per year. Creditors on the date of dissolution were ₹ 32,800. The assets realised ₹ 1,50,000. Expenses of dissolution amounted to ₹ 1,100.

Give the necessary accounts to close the books of the firm. 14

ৰমেন আৰু প্ৰকাশে একেলগে যোৱা তিনি বছৰে চলাই থকা অংশীদাৰী ব্যৱসায়ৰ 31 ডিচেম্বৰ, 2019 তাৰিখে অন্ত হয় আৰু সেই দিনাই তেওঁলোকে ব্যৱসায়টো অৱসায়নৰ সিদ্ধান্ত লয়। ব্যৱসায় আৰম্ভণীৰ সময়ত তেওঁলোকৰ মূলধন ক্ৰমে 60,000 টকা আৰু 40,000 টকা। লাভ-লোকচান 3 : 2 অনুপাতত ভগাই লয়। মূলধনৰ ওপৰত 10% সুত আদায় দিয়াৰ আগত বিগত তিনি বছৰৰ লাভ-লোকচানসমূহ দিয়া আছিল :

| | টকা |
|---|---|
| 2017 (লাভ) | 60,000 |
| 2018 (লাভ) | 44,400 |
| 2019 (লোকচান) | 10,760 |

দুয়োজনে প্ৰত্যেকে 8,000 টকাকৈ প্ৰতি বছৰে আহৰণ কৰে। অৱসায়নৰ দিনা পাওনাদাৰে পাব লগা ধনৰ পৰিমাণ 32,800 টকা। মুঠ সম্পত্তিৰ 1,50,000 টকা আদায় পোৱা যায়। অৱসায়ন-সম্পৰ্কীয় খৰচ 1,100 টকা।

প্ৰতিষ্ঠান পৰিসমাপ্তিৰ প্ৰয়োজনীয় হিচাপসমূহ দেখুওৱা।

*Or / অথবা*

*(a)* Write the underlying principles of Garner *vs.* Murray decision in the dissolution of partnership. Is it applicable in India? 5+2=7

অংশীদাৰী ব্যৱসায়ৰ অৱসায়নৰ ক্ষেত্ৰত গাৰ্নাৰ বনাম মাৰী সিদ্ধান্তৰ সূত্ৰসমূহ লিখা। ভাৰতবৰ্ষত ই প্ৰযোজ্য হয়নে?

*(b)* Explain the various methods of piecemeal distribution of cash. 7

খণ্ডকৃত প্ৰাপ্ত নগদ ধনৰ ভাগ বাটোৱাৰা কৰাৰ বিভিন্ন পদ্ধতিসমূহ ব্যাখ্যা কৰা।

**4.** The Bikiron Co. Ltd., Jorhat, opened a branch at Dibrugarh on 1st January, 2019. The goods were sent by Head Office to the branch at selling price being 125% of cost price. The following particulars are available in respect of the branch :

যোৰহাটৰ বিকিৰণ কো. লি.এ ডিব্ৰুগড়ত 1 জানুৱাৰী, 2019 এটা শাখা প্ৰতিষ্ঠান আৰম্ভ কৰে। মুখ্য কাৰ্যালয়ে শাখালৈ পণ্য বিক্ৰী দামত প্ৰেৰণ কৰে যিটো শাখাৰ বাবে কিনা দামৰ 125%. শাখাৰ পৰা উপলব্ধ বিৱৰণসমূহ তলত দিয়া হ'ল :

| | ₹ (টকা) |
|---|---|
| Goods sent to branch (at cost to Head Office)<br>শাখালৈ প্ৰেৰিত পণ্য (মুখ্য কাৰ্যালয়ৰ বাবে কিনা দাম) | 3,25,000 |
| Total sales<br>মুঠ বিক্ৰী | 4,25,000 |
| Cash sales<br>নগদ বিক্ৰী | 2,50,000 |
| Cash collected from debtors<br>দেনাদাৰৰ পৰা সংগ্ৰহ | 1,36,000 |

| | ₹ (টকা) |
|---|---|
| Returns from debtors<br>দেনাদাৰৰ পৰা পণ্য ফিৰৎ | 7,000 |
| Bad debts<br>অনুদ্ধাৰণীয় ঋণ | 3,800 |
| Branch expenses paid for cash<br>শাখাৰ নগদ পৰিশোধিত ব্যয় | 16,000 |
| Damaged goods written off (at invoice price)<br>নষ্ট প্ৰাপ্ত পণ্যৰ কৰ্তন (বিজকমূল্যত নিৰূপিত) | 4,000 |
| Stock on 31st December, 2019 (at invoice price)<br>মজুত পণ্য 31 ডিচেম্বৰ, 2019 (বিজকমূল্যত নিৰূপিত) | 27,000 |

Write up the Ledger A/c in the books of Head Office to record the above transactions under stock and debtors system. 14

মুখ্য কাৰ্যালয়ৰ বহীত সম্ভাৰ আৰু দেনাদাৰ পদ্ধতিত শাখাৰ খতিয়ান হিচাপ প্ৰস্তুত কৰি দেখুওৱা।

*Or / অথবা*

*(a)* What is branch accounting? What are its objectives? 2+5=7
শাখা হিচাপ কি? ইয়াৰ উদ্দেশ্যসমূহ কি কি?

*(b)* What are the main types of branches from accounting point of view? Write three points of distinction between Dependent Branch and Independent Branch. 4+3=7
হিচাপৰক্ষণৰ দিশৰ পৰা শাখাৰ প্ৰধান প্ৰকাৰসমূহ কি কি? নিৰ্ভৰশীল শাখা আৰু স্বতন্ত্ৰ শাখাৰ মাজত থকা তিনিটা পাৰ্থক্য লিখা।

**5.** Following are the balances of Mr. Ranjit as on 30th June, 2020 :
30 জুন, 2020ত মিষ্টাৰ ৰঞ্জিতৰ হিচাপৰ বহীৰ উদ্বৃত্তসমূহ তলত দিয়া ধৰণৰ :

| *Dr. Balances*<br>*ডেবিট স্থিতিসমূহ* | ₹ (টকা) | *Cr. Balances*<br>*ক্রেডিট স্থিতিসমূহ* | ₹ (টকা) |
|---|---|---|---|
| Cash in Hand<br>নগদ জমা | 1,080 | Sales<br>বিক্ৰী | 1,97,560 |
| Cash at Bank<br>বেংকত জমা | 5,260 | Returns Outward<br>ক্ৰয় ফিৰৎ | 1,000 |
| Patent<br>পেটেন্ট | 15,000 | Capital<br>মূলধন | 1,24,000 |

| *Dr. Balances* *ডেবিট স্থিতিসমূহ* | ₹ (টকা) | *Cr. Balances* *ক্ৰেডিট স্থিতিসমূহ* | ₹ (টকা) |
|---|---|---|---|
| Salaries দৰমহা | 30,000 | Sundry Creditors বিভিন্ন পাওনাদাৰ | 12,600 |
| Purchases ক্ৰয় | 81,350 | Rent ঘৰভাড়া | 18,000 |
| Returns Inward বিক্ৰয় ফিৰৎ | 1,360 | | |
| Wages মজুৰি | 16,960 | | |
| Fuel and Power ইন্ধন আৰু বিজুলী শক্তি | 9,460 | | |
| Carriage on Sales বিক্ৰী ভাড়া | 6,400 | | |
| Carriage on Purchases কিনা ভাড়া | 4,080 | | |
| Stock (1st July, 2019) সম্ভাৰ (1 জুলাই, 2019) | 11,520 | | |
| Buildings ভৱন | 44,000 | | |
| Freehold Land মুক্ত জমিন | 20,000 | | |
| Machinery যন্ত্ৰপাতি | 40,000 | | |
| Investment বিনিয়োগ | 20,000 | | |
| Sundry Debtors বিভিন্ন দেনাদাৰ | 29,000 | | |
| General Expenses সাধাৰণ খৰচ | 6,000 | | |
| Insurance বীমা | 1,200 | | |
| Drawings আহৰণ | 10,490 | | |
| | 3,53,160 | | 3,53,160 |

Taking into account the following adjustments, prepare the Trading and Profit & Loss A/c and Balance Sheet as on 30th June, 2020 : 14

তলৰ সংযোজনসমূহ বিবেচনা কৰি ক্ৰয়-বিক্ৰয় হিচাপ আৰু লাভ-লোকচান হিচাপ প্ৰস্তুত কৰা আৰু 30 জুন, 2020 তাৰিখৰ উদ্বৃত্ত-পত্ৰ প্ৰস্তুত কৰা :

(*i*) Stock on hand on 30th June, 2020 is ₹ 13,600

30 জুন, 2020 তাৰিখত হাতত জমা মজুত পণ্যৰ মূল্য 13,600 টকা

(ii) Depreciate machinery by 10% and patent by 20%

যন্ত্ৰপাতিৰ ওপৰত 10% আৰু পেটেন্টৰ ওপৰত 20% অৱক্ষয় ধাৰ্য কৰা

(iii) Salaries for the month of June 2020 amounting to ₹ 3,000 were unpaid

2020 চনৰ জুন মাহৰ দৰমহাৰ 3,000 টকা অনাদায় হৈ আছে

(iv) Insurance includes a premium of ₹ 340 on a policy expiring on 31st December, 2020

বীমাত অন্তৰ্ভুক্ত 340 টকাৰ পলিচি 31 ডিচেম্বৰ, 2020 তাৰিখে অন্ত পৰিব

(v) Bad debts are ₹ 1,450

অনুদ্ধাৰণীয় ঋণ 1,450 টকা

(vi) Rent received in advance—₹ 2,000

অগ্ৰিম ঘৰভাড়া 2,000 টকা আদায় পোৱা হ'ল

(vii) Interest on investment of ₹ 4,000 is accrued

বিনিয়োগৰ ওপৰত সুত 4,000 টকা পাবলৈ বাকী আছে

*Or / অথবা*

(a) What is meant by business income? What are the main objectives of income measurement? 2+5=7

ব্যৱসায়ীক আয় বুলিলে কি বুজা ? আয় পৰিমাপৰ প্ৰধান উদ্দেশ্যসমূহ কি কি ?

(b) Distinguish between Capital Expenditure and Revenue Expenditure. 7

মূলধনী ব্যয় আৰু ৰাজহ ব্যয়ৰ মাজত পাৰ্থক্য লিখা।

**6.** On 1st November, 2019, Jili Enterprise of Nagaon consigned 250 sewing machines to Monami Enterprise of Sivasagar. The price of the machine is fixed at ₹ 1,500 each being 25% above cost. Jili Enterprise paid packing expenses ₹ 1,000, insurance ₹ 200 and carriage ₹ 2,500. On 31st December, 2019, an Account Sale was received from Monami Enterprise which showed that they had sold 225 machines for ₹ 3,40,000 and had incurred ₹ 1,200 as expenses. Their commission was 5% on sale and del credere commission was 2·5%. They sent a bank draft for ₹ 2,55,000 along with the Account Sale.

Prepare the necessary Ledger A/cs in the books of Jili Enterprise. 14

2019 চনৰ 1 নৱেম্বৰ তাৰিখে নগাঁওৰ জিলি এণ্টাৰপ্ৰাইজে শিৱসাগৰৰ মনামী এণ্টাৰপ্ৰাইজলৈ 250 টা চিলাই মেচিনৰ চালান এটা পঠালে। প্ৰতিটো মেচিনৰ দাম কিনাদামৰ ওপৰত 25% লাভ যোগ কৰি বিজকমূল্য 1,500 টকা দৰ স্থিৰ কৰিলে। জিলি এণ্টাৰপ্ৰাইজে বন্ধা খৰচ 1,000 টকা, বীমা 200 টকা আৰু গাড়ী

ভাড়া 2,500 টকা আদায় দিলে। 2019 চনৰ 31 ডিচেম্বৰ তাৰিখে মনামী এণ্টাৰপ্ৰাইজৰ পৰা এখন বিক্ৰী বিৰৰণী পোৱা গ'ল। উক্ত বিৰৰণী মতে মনামী এণ্টাৰপ্ৰাইজে 225 টা মেচিন 3,40,000 টকাত বিক্ৰী কৰিলে আৰু তেওঁলোকৰ খৰচ হয় 1,200 টকা। তেওঁলোকৰ দস্তুৰি আছিল বিক্ৰীমূল্যৰ ওপৰত 5% আৰু জামিন দস্তুৰি আছিল 2·5%. তেওঁলোকৰ বিক্ৰী বিৰৰণীৰ লগতে 2,55,000 টকাৰ এখন বেংক ড্ৰাফ্‌ট্ পঠালে।

জিলি এণ্টাৰপ্ৰাইজৰ বহীত উক্ত লেনদেনসমূহৰ আৰশ্যকীয় খতিয়ান হিচাপসমূহ প্ৰস্তুত কৰি দেখুওৱা।

*Or / অথবা*

What do you mean by hire-purchase system? Write the features of it. Write the differences between Hire purchase and Credit sales. 2+6+6=14

ভাড়া-ক্ৰয় পদ্ধতি বুলিলে তুমি কি বুজা? ইয়াৰ বৈশিষ্ট্যসমূহ লিখা। ভাড়া ক্ৰয় আৰু বাকী বিক্ৰীৰ মাজৰ পাৰ্থক্য লিখা।

★★★